# এইফালেও কবি আছে

## এজন কবিৰ নিজৰ সৈতে মুখামুখি

**ৰাজীৱ বৰা**

নিজৰ কবিতা সম্পৰ্কে কোৱাত-লিখাত কিছু সীমাৱদ্ধতা থাকে। সাৰ্থক কবিতায়ো কয় কম; ভবায় বেছি। নিজা কবিতাৰ ব্যাখ্যা দিয়াও উচিত নহয়। যদিও পৃথিৱীৰ বহু কবিৰ লগতে আমাৰ অসমীয়া কাব্য সাহিতৰ কেইবাজনো দিগগজ কবিয়ে এই কামটো কৰিছে। কাৰণ কবিতা নিজেই এনে এক শিল্প, যাৰ অন্তঃপ্ৰাণ পথাৰৰ মাজৰ সেই অকলশৰীয়া গছজোপাৰ নিচিনা, যিজোপা ভিন্ন দিশৰপৰা কৌণিক দৃষ্টিৰে চাব পাৰি। সকলোৰে চকুত তাৰ সেউজ সমৃদ্ধি বা লঠঙা ৰূপটো একে নহয়, বৈচিত্ৰ্যময় ৰূপত ধৰা পৰে। কবিতাৰ বেলিকাও তেনে নহ'লে একমাত্ৰিক অৰ্থসন্ধানতে ওৰ পৰিলে পাঠকভেদে ৰসাস্বাদনৰ ভিন্ন উপলব্ধিতো বাধা আহে।




Anit-poetry, Visual poetry, Concrete poetry, Language poetry আদিৰ পৰীক্ষাৰ মাজেদি পাঠকক ভিন্ন স্বাদ যোগান ধৰি অহা কবিতাত এতিয়া ছন্দ-অলংকাৰ, মূলভাব-সাৰাংশ বিচাৰি ফুৰাৰ দিন নাই বুলিয়েই ভাবোঁ। সেয়া শ্ৰেণীকোঠা বা পৰীক্ষাৰ উত্তৰবহীৰ সৈতে যুক্ত। তথাপি কবিতা ভাষাশিল্প। চৰ্চা কৰা ভাষাটোক explore কৰাটো কবিতাৰো কাম। গদ্যত যি শব্দই তাৰ প্ৰয়োগৰ অভিনৱত্ব হেৰুৱাই তাক চুঁচি-মাজি প্ৰয়োগৰ অৱকাশ এটা কবিতাই দিয়ে। Poetry is word বুলি যিসকলে ধৰে তেওঁলোকে কবিতাক ভাষাশিল্প বুলি মানে তাত সন্দেহ নাই। কিন্তু ই মাথোঁ ভাষাশিল্প নহয়, এক বিশেষ ধৰণৰ ভাষাশিল্পহে। এই বিশেষটো কি কবি মাত্ৰেই জনা উচিত। চিত্ৰশিল্পী ডেগাক মালাৰ্মেই কোৱা কথাখিনি গুৰুত্বপূৰ্ণ– "Poems are made of words, not ideas!" কিন্তু একে সময়তে শংকৰদেৱে আন প্ৰসংগত কোৱা কথা এষাৰো কবিতাৰ প্ৰসংগত প্ৰাসংগিক কৰিব পাৰি–"বত্ৰিশ অলংকাৰে কচালে

শিৰ নহ'লে অশোভন।" চিন্তাবৃত্তি-ভাব ৰহিত শব্দৰ কেৰিকেচাৰৰ কবিতা তেনে হোৱাৰ সম্ভাৱনাই অধিক। অসংগঠিত চিন্তাবৃত্তি অসংলগ্ন, অব্যঞ্জিত symbol বা image-এ পঢুৱৈলৈ বিৰাগো আনে।

দীৰ্ঘদিনীয়া অনুশীলনে একোগৰাকী কবিক একেআগী ভাবনা, একেআগী ৰূপকল্প আৰু একেআগী পৰিক্ৰমাৰপৰা নিষ্কৃতি লভিবলৈ উৎসাহিত কৰে। নিজা কবিতাৰ প্ৰচলিত প্ৰবাহতে নব্য সন্ধানৰ বাবে উদগণি দিয়ে। প্ৰথম সংকলনৰপৰা পৰৱৰ্তী সংকলনৰ ক্ষেত্ৰত বিষয়-ভাব আৰু ৰূপকল্পত ব্যৱচ্ছেদ আনিব পৰাটো একোজন কবিৰ কাব্য-চৰ্চাৰ উত্তৰণৰ ঢাপ হিচাপে চিহ্নিত হ'ব পাৰে। তাৰ বাবে নতুনত্বৰ দৰ্কাৰ।

পিছে নতুন মানে কি হ'ব পাৰে? সাহিত্যত নতুনত্বৰ কথা ক'বলৈ যাওঁতে উমবের্তো ইকৰ বহু উদ্ধৃত সেই কথাষাৰ মনলৈ আহে–''…books always speak of other books, and every story tells a story that has already been told.'' কিন্তু সময়ত বৰ্তি থাকিলে পৰিৱৰ্তিত প্ৰেক্ষাপট আৰু নব্য চিন্তাই সেই নতুনত্বৰ জন্ম দিব পাৰে। কথাটো এটা সূৰ্যকে ওলাই আহোঁতে ভিন্নজনে ভিন্ন ধৰণেৰে দেখাৰ লেখিয়া। কবিতাৰ বেলিকাও লক্ষ্যণীয় যে বিষয় আৰু মানৱীয় মুহূৰ্তৰ উপলব্ধিবোৰ প্ৰায়ে অপৰিৱৰ্তনীয় হৈ থাকে। কিন্তু সলনি হোৱা মূল্যবোধ, পৰম্পৰাত অহা স্থৱিৰতা আদিয়ে চলতি নেৰেটিভতে মোচৰ একোটা আনিবলৈ সামৰ্থ্য ৰাখে। আনে কি ভাবে নেজানো আমাৰ বেলিকা হেৰল্ড ব্লুম-কথিত Anxiety of Influence-ৰ সমস্যাটো লাগিয়েই থাকে। ই অৱশ্যে সহায়ো কৰে, প্ৰভাবৰ পৰা মুক্ত হোৱাৰ। নিজা শৈলী এটাৰ প্ৰতি সচেতন হোৱাৰ।

কবিতা মুহূৰ্তৰ উপলব্ধি হ'লেও আমাৰ পৰম্পৰাত ই বৃত্তান্ত-বৰ্জিত নহয়। সেয়ে হয়তো লোক-কবিতাৰ জনপ্ৰিয়তা বেছি। আজি হুবহু তাহানিৰ লোক-কবিতা লিখাৰ দিন নাই, কিন্তু কৌশলী কবিয়ে তাক আওকাণ নকৰে। আন এক নেৰেটিভৰ মাধ্যমেৰে কবিতাকো বৃত্তান্ত আধাৰিত কৰিব পাৰে। অৱশ্যে সিও উপন্যাসোপম বা চুটিগল্পধৰ্মী হ'লে নহ'ব। কিন্তু কবিতাৰ ব্যঞ্জনাধৰ্মী গুণেৰে 'গোস্পদে নভোমণ্ডল'ৰ নিচিনা নেৰেটিভ একোটা গ্ৰহণ কৰিব পাৰে।

কবিতা লিখাটো আত্মসন্তুষ্টিৰ কাম হ'ব পাৰে। তাত নাম বা যশৰো আকাংক্ষা থাকিব পাৰে। কিন্তু পাঠকমুখীতাক আওকাণ কৰিব নোৱাৰি। ময়ো জানো কম হ'লেও আমাৰ কেইজনমান পাঠক আছে। কবিতা কেইটামান প্ৰকাশৰ বেলিকা তেওঁলোকৰ কথাও ভাবিব লাগে। তাৰ অৰ্থ এইটো নহয় যে কাব্য-অভিব্যক্তিও পাঠকৰ ৰুচিয়ে নিয়ন্ত্ৰণ কৰিব। একোগৰাকী কবিয়েই পাঠকৰ ৰুচিকো সলনি কৰিব পাৰে। কিন্তু কবিতাৰ নামত অনাহক কেৰিকেচাৰ আৰু বিভ্ৰান্তিৰে কবিয়েও পাঠকক আভুৱা ভাঁৰিব নালাগে কিজানি। বিষয় জটিল হ'লেও, ভাব গধুৰ হ'লেও সাহজিক প্ৰকাশৰ প্ৰতিহে সাধাৰণ পাঠকৰ লোভ।

এখুদমান এই পুথিখন সংখ্যৰ ফালৰপৰা মোৰ সপ্তম কবিতা-সংকলন। যোৱা তিনি বছৰত প্ৰকাশিত-অপ্ৰকাশিত শতাধিক কবিতাৰ সৰহভাগ নাকচ কৰি বাছি লোৱা এমুঠি কবিতা। 'কাব্যম বঁটা ২০২২' লাভ কৰা পাণ্ডুলিপিটোৰ পৰা কেইটামান কবিতা আৰু নামটো লৈছোঁ। কেইটামান একেবাৰেই নতুন। আনকেইটাৰ অন্তৰ্গত দুটামান প্ৰকাশৰ পাছতো পৰিমাৰ্জন কৰা। পৰিমাৰ্জনৰ কাৰবাৰটো কবিতাৰ নিৰ্মাণৰ সৈতে সম্পৰ্কিত। কোনো এটা কবিতা বিশেষ একোটা মুডত সৃষ্টি হ'লেও পাঠকমুখী

পৰিৱেশনৰ পৰ্যায়ত তাৰ নিৰ্মাণৰ কথাটো আহে। কিয়নো কবিতাও এবিধ শিল্প। মূলত ভাষাশিল্প। সেয়ে তাৰ সৌকৰ্যৰ বাবে কৰণীয়খিনিত কবিয়ে মন দিয়া দৰ্কাৰ।

ইবোৰত কবিতা আছে। কবিতা নাই। এইফালেও কবি আছে। কবি নাই। কবিতা থকা-নথকাটো কেতিয়াবা কবিক দেখা-নেদেখাৰ ওপৰত নিৰ্ভৰ কৰে। সমূহৰ মাজত একেধৰণৰ মুখাৱয়ব, বেশ-ভূষা হ'লে চিনি উলিওৱা টান। কিন্তু কেতিয়াবা যে কোনোবাই চিনাকি মানুহ দেখিও নিচিনাৰ ভাও ধৰে, আওকাণ কৰে তেতিয়া সেয়া চাওঁতাৰ অভিপ্ৰায়। এইটো সঁচা যে সাহিত্যৰ ইতিহাসেই হওক বা সমকালীন সাহিত্য-চৰ্চাই হওক একোটা সময়ত বৰ্তি থকা কবিসকলৰ সকলোৱে সমানে গুৰুত্ব নেপায়, পাছতো প্ৰতিনিধিত্বমূলক আৰু সাধাৰণ ধৰণৰ বিভাজন এটা থাকিব। কিন্তু সাহিত্য যেতিয়া শিক্ষাসদী বিষয় হয়, জাতীয় সাহিত্যৰ সংবৰ্ধন ৰূপ কিছু কাৰ্য-কলাপ হয় তাত যোগ্যতাৰ উপেক্ষাই কি সাধে?

কিতাপ দোকানত পায়। দোকানত কবিতা নাথাকে। কবিতা থাকে পাঠকৰ মাতত। থাকে হাতত। আদৰতো থাকে। থাকে আওহেলাতো। জেপত থাকে। খোঁচনাত থাকে। অথবা ক'তোৱেই নেথাকে। কবিতা বিচাৰি হাবাথুৰি খাব লাগে। পাঠকৰো অস্বস্তিকৰ পৰিক্ৰমা? বাটে-পথে কবিতাই অগা-ডেৱা কৰে। বাট আগচি ধৰে। হাজাৰ যত্ন কৰিও একোজন কবিয়ে পাঠকে ওঁঠত লৈ ফুৰিব পৰা কবিতা এফাকি লিখিবগৈ নোৱাৰিব পাৰে। তেনে এফাকিৰ বাবেই কবিতাৰ অনুশীলন চলি থাকে।

আকাশীযানৰ সপোন দেখি ঘটং-মটং কৰি গৈ থাকে মোৰ কবিতাৰ গৰুগাড়ী। মজা আছে। মজা আছে। চৌপাশে ইমানবোৰ দ্ৰুতবেগী বাহনৰ ভিৰ! গৰুগাড়ী এখনত যাত্ৰা কৰাৰ মজা আছে। অকলশৰীয়া হোৱাৰ মজা। থেকেচা খালেও যাত্ৰা-সুখৰ মজা। তাতে কোনোবাই যদি আঙুলিয়াই কয়– সৌটো কেনেকৈ গৈছে চা। ইমান সুচল পথত বাছি লৈছে কষ্টকৰ যাত্ৰা! মজা আছে। মজা আছে। মজা তাতে– আনৰ বাহনত নুঠাৰ। আনৰ খোজ নকঢ়াৰ। আনৰ ৰং দেখিও নিজে উকা হৈ থকাৰ। তৃপ্ত মানুহৰ মাজত থাকি কিবা এটা অশান্তি ধাৰণ কৰাৰ। হয় বোলা মিছিলত নহয় বুলি দীঘলকৈ এটা উকি মৰাৰ। কথাবোৰ এনেকৈ ভাবিব পাৰি যদিও তাক কাব্য-চৰ্চাৰ মাজেৰে তুলি ধৰাটো কষ্টকৰ। সেই কষ্টক মোৰ বুলি লৈ কবিতাসমূহত তেনে অনুশীলন কৰাৰ প্ৰচেষ্টা এটাও চালাইছোঁ। সেয়া সদৰ্থক, সফল নে অৰ্থহীন সেয়াও সমালোচক, ৰসবেত্তা বা পাঠকৰ দ্বাৰাহে নিৰূপিত হ'ব।

কবিৰ কাম কবিতা লিখা। পাঠকৰ বাছ-বিচাৰ থাকিব। যিমানেই কৌশল নলওক পাঠকে কবিক নপঢ়ে। কবিতাহে পঢ়িব। কবিতাৰো প্ৰথম চৰ্ত– যিমানেই অনুশীলন নাথাকক সি কবিতা হ'ব লাগিব। সময়ৰ কবিতা। এইখিনি কবিতাৰ মাজত সময়ক ধৰি ৰখাৰ যত্ন কৰা হৈছে। ভাষা আৰু ভাবগত কেৰামতালি পৰিহাৰ কৰি তৰল নোহোৱাকৈ সৰল কৰাৰো যত্ন কৰা হৈছে। কিন্তু একে সময়তে আমাৰ ভাষাটোৰ কালিকা– যিটো গ্ৰাম্যজ শুদ্ধতা এতিয়াও বিদ্যমান সেইটোক আলম্বন কৰা হৈছে। অৱশ্যে তাকে সময়োপযোগী কৰাৰ চেষ্টা এটাও নকৰাকৈ থকা নাই।

বিৱৰ্তনৰ বাটত মানুহক অতীতৰ শিক্ষা আৰু ভৱিষ্যমুখী দৃষ্টি লাগিব। কিন্তু দুয়োটাৰে সংযোগ সেঁতু হ'বলৈ বৰ্তমানতহে গোঁজ পুতিব লাগিব। সেয়া কাব্য-চেতনাই হওক অথবা শিল্প-চেতনাই হওক। বৰ্তমান বুলি কওঁতে যি নতুনত্ব অথবা অভিনৱত্বৰ ধাৰণা মনলৈ আহে তাৰ আধাৰতে কবিতা-চৰ্চাৰ বাটত ঘুগুলা উঠা প্ৰকাশভংগী আৰু ভাব অতিক্ৰমৰ অনুশীলন কৰিব নালাগিব জানো? কবিতাখিনি থূপাই থোৱাৰ কথা চিন্তা কৰোঁতে এনে কথাও বিবেচনা কৰা হৈছে।

আমাৰ সাহিত্যতে নহয় সাম্প্ৰতিক প্ৰায়বোৰ ভাষাৰ সাহিত্যতে কাব্য-প্ৰকাশ সৰল হৈ আহিছে। কাব্য-ভাষা বুলি চলি থকা নেৰেটিভ এটাৰ ঠাইত কবিতা আৰু গদ্যৰ সীমাৰেখাডালো লাহে লাহে মচ খাবলৈ লৈছে। দুয়োটাৰে যাদৃচ্ছিক প্ৰয়োগ মন কৰিবলগীয়া হৈ উঠিছে। সেয়ে ইয়াৰ দুই-এটা প্ৰকাশভংগীত প্ৰচলিত অৰ্থত হয়তো কোনোবাই কবিতা নেপাব।

এই ৰচনাখনৰ শীৰ্ষকটো কবিতাপুথিখনৰো শীৰ্ষক। যিখিনি কবিতাই এই শীৰ্ষকটো প্ৰতিনিধিত্ব কৰিছে সিবোৰৰ অন্তৰ্নিহিত তাৎপৰ্য এটাও অৰ্থৰ আঁৰলত আছে। এই বাক্যখণ্ডই বহন কৰা অৰ্থ ভিন্ন প্ৰসংগত প্ৰয়োগ কৰিব পাৰি যদিও এনে চিন্তাৰ উহটো অৱশ্যে এটা গঞা অভিজ্ঞতাৰপৰাহে উৎসাৰিত। গাঁৱত সকাম পাতোঁতে মূল নামৰ থলীৰ উপৰি ঘৰৰ বিভিন্ন কোঠাত ভিন্নজন বহে। দেউৰীয়ে যেতিয়া প্ৰসাদ বিলায় তেতিয়া আওহতীয়া কোঠাৰপৰা কেনোবাই মূৰটো উলিয়াই মাত লগায়– "দেউ, মন কৰিবদেই, এইফালেও ভকত আছে।" দেউৰ এই উপেক্ষা হয়তো ব্যস্ততা বা অমনোযোগিতাৰ ফল। কিন্তু সাহিত্যৰ ক্ষেত্ৰখনত চলি থকা কেতবোৰ কৰ্ম-কাণ্ড আৰু প্ৰৱণতাত যেতিয়া উপেক্ষা অভিপ্ৰায় হয় তেতিয়া কোনোবাই ক'ৰবাত মাত এষাৰ লগাবলগীয়া হয়– "মন কৰিব, এইফালেও কবি আছে।" ইয়াক উপেক্ষিত ধাৰণা বা প্ৰান্তীয় চেতনা যি বোলে বোলক। এনে এটা চিঞৰ মৰাৰ প্ৰয়োজন নাইনে?

অৱশ্যে আন বহুতৰ দৰে ময়ো বিশ্বাস কৰোঁ সূৰ্যক সোপা দি ঢাকিব নোৱাৰি। প্ৰকাশ বা বিকাশৰ প্ৰৱণতা থাকিলে প্ৰতিভাকো ঢাকিব নোৱাৰি। তেনে চিন্তাত সময়ৰ, সুবিধা-সুযোগৰো একোটা ভূমিকা থাকে। অৱশ্যে সময় বুলি একো নাথাকে। সেয়া মানুহ আৰু সাময়িকভাৱে গঢ়ি উঠা মনোভংগী বা মানসিকতা।

গ্ৰহীতাৰ গ্ৰহণ বা বৰ্জন সকলো সৃষ্টিকৰ্মৰে মূল্যায়নৰ মূল কথা। কবিতাৰ ক্ষেত্ৰত পাঠকসকলেই গ্ৰহীতা। কবিতা এটা পাঠকমুখী হোৱাৰ প্ৰক্ৰিয়াটোত প্ৰচাৰৰ ভূমিকা থাকে। থাকে সমালোচকৰ আগ্ৰহ আৰু মতামতৰ গুৰুত্ব। কেতিয়াবা পুৰস্কাৰ বা বঁটাৰো স্বীকৃতি। শেষৰটোৱে গুৰত্ব লভে যদিও আমাৰ ইয়াত বৰ গুৰুত্বপূৰ্ণ নহয় যেনেই লাগে। কাৰণ বঁটা দিয়া অনুষ্ঠান আৰু সংস্থাবোৰৰ সৰহভাগেই নামনাচ। নামীকেইটাক লৈয়ো ঘোষণাৰ পৰৱৰ্তী সময়তে বিতৰ্কৰ প্ৰায়ে সূত্ৰপাত হয়।

আমাৰ কাব্য-চৰ্চাৰ অন্তৰালত তেনে অভিপ্ৰায় নাই। দুজন পাঠকে পঢ়িলেই হ'ল। পঢ়া মানে এই অৰ্থ যে ইয়াত তুলি ধৰা ভাবনা বা চিন্তাৰ সৈতে কোনো সংবেদনশীলে যদি আপোন ভাবনাৰ সাৰূপ্য উপলব্ধি কৰাৰ সুৰুঙা পায়, বা কোনোৱে নভবা ভাবনাৰ উমান পায়, বা কোনোৱে নতুনকৈ কিবা এটা ভাবিবলৈ অৱকাশ পায় তেন্তে ইবোৰৰ গুৰুত্ব থাকিব। তেনে দুফাকি লিখিছোঁনে? এতিয়াও নিশ্চিতি নাই।

……………………..

**ৰাজীৱ বৰা** এগৰাকী কবি আৰু সমালোচক। *এই ফালেও কবি আছে* (২০২৩) তেওঁৰ শেহতীয়া কাব্য-সংকলন।